**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI

**Date :** 30-09-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে আয়োজন কৰা ক্ৰিয়েট ইন ইণ্ডিয়া বিষয়বস্তু আধাৰিত ২৫টা প্ৰত্যাহ্বানত অংশগ্ৰহণ কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে।

২। কেন্দ্ৰীয় পঞ্চায়তী ৰাজ দপ্তৰৰ ৰাজ্য মন্ত্ৰী অধ্যাপক এছ পি সিং বাঘেলে আজি নতুন দিল্লীত জনসাধাৰণৰ পৰিকল্পনা প্ৰচাৰ সন্দৰ্ভত এখন ৰাষ্ট্ৰীয় কৰ্মশালা মুকলি কৰে।

৩। বিশিষ্ট চলচ্চিত্ৰ অভিনেতা মিথুন চক্ৰৱৰ্তীলৈ এইবাৰৰ দাদা চাহেব ফাল্কে বঁটা আগবঢ়োৱা হৈছে।

৪। জামাইকাৰ প্ৰধানমন্ত্ৰী ড° এনড্ৰিউ হলনেছ চাৰিদিনীয়া ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হৈছে।

আৰু

৫। পেৰুত চলি থকা শ্বুটিঙৰ আই এছ এছ এফ জুনিয়ৰ বিশ্ব চেম্পিয়নশ্বিপৰ এয়াৰ ৰাইফলত ভাৰতীয় যুটি গৌতমী ভানট আৰু অজয় মালিকে ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে আয়োজন কৰা ক্ৰিয়েট ইন ইণ্ডিয়া বিষয়বস্তু আধাৰিত ২৫টা প্ৰত্যাহ্বানত অংশগ্ৰহণ কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি ভাৰতৰ সামাজিক মাধ্যম আৰু মনোৰঞ্জন উদ্যোগৰ ত্বৰান্বিত কৰা তথা ক্ৰিয়েটৰ অৰ্থনীতিৰ প্ৰগতিৰ বাবে অহা বছৰ ৫ ফেব্ৰুৱাৰীৰ পৰা ৯ ফেব্ৰুৱাৰীলৈ বিশ্ব দৃশ্য-শ্ৰাব্য আৰু মনোৰঞ্জন শীৰ্ষ সন্মিলন অনুষ্ঠিত হ'ব। শ্ৰীমোদীয়ে আগ্ৰহী ব্যক্তিসকলক এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ বাবে wavesindia.org ৱেবছাইট চাবলৈ আহ্বান জনায়। আকাশবাণীৰ মন কী বাত অনুষ্ঠানত কালি এই বিষয়ে প্ৰকাশ কৰি শ্ৰী মোদীয়ে গেমিং কাৰ্টুন চলচ্চিত্ৰ নিৰ্মাণ তথা আন কেতবোৰ উদ্ভাৱনীমূলক খণ্ডত বৰ্ধিত সা-সুবিধা তথা নিয়োগৰ দ্ৰুতগতিত পৰিৱৰ্তিত প্ৰকাৰ সন্দৰ্ভত আলোকপাত কৰে।

০০০০০

কেন্দ্ৰীয় পঞ্চায়তী ৰাজ দপ্তৰৰ ৰাজ্য মন্ত্ৰী অধ্যাপক এছ পি সিং বাঘেলে আজি নতুন দিল্লীত জনসাধাৰণৰ পৰিকল্পনা প্ৰচাৰ সন্দৰ্ভত এখন ৰাষ্ট্ৰীয় কৰ্মশালা মুকলি কৰে। 'সবকী যোজনা, সবকা বিকাশ' শীৰ্ষক এই কৰ্মশালাখনৰ লক্ষ্য হৈছে – উচ্চ মান আৰু ফলপ্ৰসু পঞ্চায়ত উন্নয়ন পৰিকল্পনা প্ৰস্তুত কৰাৰ বাবে বিষয়া, নিৰ্বাচিত প্ৰতিনিধি আৰু অন্যান্য অংশীদাৰসকলক প্ৰয়োজনীয় দক্ষতা আৰু কৌশলৰ সৈতে প্ৰস্তুত কৰি তোলা। একেটা অনুষ্ঠানতে অধ্যাপক সিঙে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে পঞ্চায়ত উন্নয়ন পৰিকল্পনা প্ৰস্তুত কৰাৰ বাবে জনসাধাৰণৰ পৰিকল্পনা অভিযান ২০২৪-২৫ সম্পৰ্কীয় পুস্তিকা মুকলি কৰে। তেওঁ লগতে ৰাষ্ট্ৰীয় গ্ৰাম স্বৰাজ অভিযানৰ বাৰ্ষিক কাৰ্য পৰিকল্পনা, ২০২৪-২৫ৰ প্ৰতিবেদন মুকলি কৰে। আকাশবাণীৰ সংবাদদাতাই জনোৱা অনুসৰি কৰ্মশালা মুকলি কাৰ্যসূচীত বিভিন্ন কেন্দ্ৰীয় মন্ত্ৰালয়, বিভাগ তথা ৰাজ্যিক বিভাগৰ প্ৰতিনিধিসকল, প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অধ্যাপকসকল আৰু পঞ্চায়তৰ বিভিন্ন স্তৰৰ নিৰ্বাচিত প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে।

০০০০০০০০০

দেশজুৰি চলি থকা **স্বচ্ছতা হি সেৱা** কাৰ্যসূচীৰ লগত সংগতি ৰাখি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি নলবাৰীৰ মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ মাজত এখন কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰিছে। পৰিচ্ছন্নতাৰ বিষয়ত ছাত্ৰীসকলক সজাগ-সচেতন কৰি তোলাৰ লগতে নৱপ্ৰজন্মৰ মাজত আকাশবাণীৰ

জনপ্ৰিয়তাক বৃদ্ধি কৰাৰ উদ্দেশ্যে এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত মহাবিদ্যালয়খনৰ অধ্যক্ষা ড° গাৰ্গী চক্ৰৱৰ্তীৰ লগতে আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ বিষয়ববীয়াসকল উপস্থিত আছে।

০০০০০০০

জম্মু-কাশ্মীৰৰ এখন ৰাজহুৱা সভাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক লৈ কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কৰা মন্তব্যক গৃহমন্ত্ৰী অমিত শ্বাহে অনুচিত আৰু অপমানজনক বুলি অভিহিত কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা পোষ্টত শ্ৰী শ্বাহে কয় যে এই ক্ষেত্ৰত শ্ৰী খাৰ্গেই নিজৰ দলৰ নেতাসকলকো পিছ পেলাইছে। তেওঁ কয় যে শ্ৰী খাৰ্গেই অনাৱশ্যকভাৱে শাসনভাৰৰ পৰা শ্ৰী মোদীক আঁতৰোৱাৰ পাছতহে তেওঁ প্ৰাণ ত্যাগ কৰিব বুলি কোৱা কথাষাৰ সঁচাকৈয়ে অপমানজনক। গৃহমন্ত্ৰীগৰাকীয়ে কয় যে ইয়াৰ দ্বাৰা এইটোৱে গম পোৱা যায় যে কংগ্ৰেছৰ এই লোকসকলৰ মাজত প্ৰধানমন্ত্ৰী মোদীৰ পৰা কিমান ভয় আছে। এই লোকসকলে সকলো সময়তে শ্ৰী মোদীৰ কথাই ভাবি থাকে। শ্ৰী শ্বাহে কয় যে শ্ৰী খাৰ্গেৰ স্বাস্থ্যৰ কথা আহিলে প্ৰধানমন্ত্ৰী মোদীসহ সকলো লোকেই তেওঁৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰাৰ লগতে ২০৪৭ চনৰ বিকশিত ভাৰত তেওঁ যাতে প্ৰত্যক্ষ কৰিব পাৰে তাকেই প্ৰাৰ্থনা কৰিব।

উল্লেখযোগ্য যে কালি জম্মুৰ জাছৰ'টাত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণৰ সময়ত শ্ৰী খাৰ্গে হঠাতে অচেতন হৈ পৰে। কিছু সময়ৰ পাছত তেওঁ যেতিয়া নিজৰ ভাষণ পুনৰ আৰম্ভ কৰে, তেতিয়াই তেওঁ কয় যে প্ৰধানমন্ত্ৰী মোদীক শাসনভাৰৰ পৰা আঁতৰ নকৰালৈকে তেওঁ প্ৰাণত্যাগ নকৰে।

০০০০০০০০০

বিশিষ্ট চলচ্চিত্ৰ অভিনেতা মিথুন চক্ৰৱৰ্তীক অহা মাহত অনুষ্ঠিত হ'বলগীয়া ৭০ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত দাদা চাহেব ফাল্কে বঁটাৰে সন্মানিত কৰা হ'ব। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এই কথা প্ৰকাশ কৰি কয় যে কলকাতাৰ পদপথৰ পৰা চলচ্চিত্ৰ জগতৰ উচ্চ শিখৰলৈ মিথুন দাৰ উল্লেখনীয় যাত্ৰাই নৱ-প্ৰজন্মক প্ৰেৰিত কৰে। তেওঁ লগতে কয় যে ভাৰতীয় চলচ্চিত্ৰ জগতলৈ তেওঁৰ অৱদানৰ বাবে ভাৰতীয় চলচ্চিত্ৰৰ এই শীৰ্ষ বঁটা তেওঁলৈ আগবঢ়োৱাৰ সিদ্ধান্ত লোৱা হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অভিনেতা মিথুন চক্ৰৱৰ্তীক দাদা চাহেব ফাল্কে বঁটা পোৱাৰ বাবে অভিনন্দন জনাইছে। সামাজিক মাধ্যমযোগে দিয়া এটা পোষ্টত শ্ৰী মোদীয়ে কয় যে মিথুন চক্ৰৱৰ্তীক ভাৰতীয় চলচ্চিত্ৰ জগতলৈ তেওঁৰ অদ্বিতীয় অৱদানৰ বাবে দাদা চাহেব ফাল্কে পুৰস্কাৰেৰে সন্মান জনোৱাৰ বাবে তেওঁ অতি আনন্দিত হৈছে। প্ৰধানমন্ত্ৰীয়ে অভিনেতাগৰাকীক এক সাংস্কৃতিক প্ৰতীক বুলি অভিহিত কৰি কয় যে নিজৰ বহুমুখী প্ৰতিভাৰ বাবে তেওঁ সকলো শ্ৰেণীৰ লোকৰ পৰা প্ৰশংসা লাভ কৰিছে।

সংবাদ মাধ্যমৰ লগত হোৱা কথা-বতৰাত শ্ৰী চক্ৰৱৰ্তীয়ে এই বঁটাৰ বাবে নিৰ্বাচিত হোৱাত আনন্দ প্ৰকাশ কৰিছে। তেওঁ এই বঁটা তেওঁৰ পৰিয়াল আৰু সমগ্ৰ বিশ্বৰ তেওঁৰ গুণমুগ্ধসকললৈ সমৰ্পণ কৰে।

০০০০০০০০

জামাইকাৰ প্ৰধানমন্ত্ৰী ড° এনড্ৰিউ হলনেছ চাৰিদিনীয়া ভ্ৰমণসূচীৰে আজি পুৱা নতুন দিল্লীত উপস্থিত হয়। কেন্দ্ৰীয় বিত্ত বিভাগৰ ৰাজ্য মন্ত্ৰী পংকজ চৌধৰীয়ে প্ৰধানমন্ত্ৰীগৰাকীক বিমান বন্দৰৰ পৰা আদৰণি জনায়। উল্লেখযোগ্য যে এয়া হৈছে তেওঁৰ প্ৰথমটো ভাৰত ভ্ৰমণ তথা আৰু জামাইকাৰ কোনো এগৰাকী প্ৰধানমন্ত্ৰীৰ ভাৰতলৈ প্ৰথম দ্বিপাক্ষিক ভ্ৰমণ। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু জামাইকাৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে বিভিন্ন বহুপাক্ষিক বৈঠকৰ সুযোগত কেইবাবাৰো মিলিত হৈছিল।

এই ভ্ৰমণৰ সময়ত তেওঁ প্ৰধানমন্ত্ৰী মোদীৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত মিলিত হোৱাৰ লগতে ৰাষ্ট্ৰপতি আৰু উপ ৰাষ্ট্ৰপতিকো সাক্ষাৎ কৰিব। এই ভ্ৰমণে ড° হলনেছক ভাৰতৰ অন্যান্য বিশিষ্ট ব্যক্তি তথা উদ্যোগ আৰু বাণিজ্য ক্ষেত্ৰৰ

নেতাসকলৰ সৈতে মত বিনিময় কৰাৰ সুযোগ প্ৰদান কৰিব। এই ভ্ৰমণৰ সময়ত দ্বিপাক্ষিক সহযোগিতাৰ ক্ষেত্ৰত কেইবাখনো বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হোৱাৰ সম্ভাৱনা আছে। ডং হলনেছৰ এই ভ্ৰমণে দুয়োখন দেশৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক উন্নীত কৰাৰ লগতে অৰ্থনৈতিক সহযোগিতা অধিক শক্তিশালী কৰাৰ আশা কৰা হৈছে।

ooooo

কেন্দ্ৰত নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ এশ দিন সম্পূৰ্ণ হৈছে। এই সময়ছোৱাত চৰকাৰে আন্তঃগাঁথনি, সমাজ কল্যাণ, কৃষক, মধ্যবিত্ত শ্ৰেণী, মহিলা আৰু যুৱ প্ৰজন্মৰ হকে প্ৰায় ১৫ লাখ কোটি টকা ব্যয় সাপেক্ষ বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। চৰকাৰে বিশেষভাৱে মহিলাৰ দ্বাৰা পৰিচালিত বিকাশৰ বাবে শক্তিশালী পৰিকাঠামো গঠনৰ দিশত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ বাবে দেশৰ গ্ৰামাঞ্চল আৰু আৰ্থিকভাৱে পিছপৰা অঞ্চলৰ মহিলাসকলৰ সৱলীকৰণৰ ক্ষেত্ৰত কেইবাটাও উদ্যম মুকলি কৰা হৈছে। দেশক ২০৪৭ চনৰ ভিতৰত বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ লক্ষ্যক বাস্তৱায়িত কৰিবলৈ নৰেন্দ্ৰ মোদী চৰকাৰে কেইবাটাও মহিলাকেন্দ্ৰিক পদক্ষেপ গ্ৰহণ কৰিছে। দীনদয়াল অন্ত্যোদয়া আঁচনি -ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত ৯০ লাখৰো অধিক  আত্মসহায়ক গোটৰ জৰিয়তে প্ৰায় ১০ কোটি মহিলাক অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰায় ১১ লাখ নতুন লাখপতি দিদিয়ে প্ৰধানমন্ত্ৰীৰ পৰা তেঁওলোকৰ সফলতাৰ চিনৰূপে প্ৰমাণপত্ৰ লাভ কৰিছে। এই বছৰৰ বাজেটত নাৰী শক্তিক লাভান্বিত কৰাৰ উদ্দেশ্যে ৩ লাখ কোটি টকা ধাৰ্য কৰা হৈছে। আনহাতে, মহিলাৰ বাবে সন্মান তথা ঘৰৰ মালিকীস্বত্ত সুনিশ্চিত কৰাৰ বাবে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত প্ৰায় ৩ কোটি অতিৰিক্ত গৃহ নিৰ্মাণ কৰা হ'ব। তদুপৰি মহিলা উদ্যোগীসকলৰ সৱলীকৰণৰ প্ৰতি লক্ষ্য ৰাখি মুদ্ৰা ঋণৰ সীমা ১০ লাখৰ পৰা ২০ লাখ টকালৈ বৃদ্ধি কৰা হৈছে।

আনহাতে মহিলা নেতৃত্বাধীন বিকাশৰ ক্ষেত্ৰতো নৰেন্দ্ৰ মোদী চৰকাৰে বিভিন্ন সিদ্ধান্ত গ্ৰহণ কৰিছে। শিক্ষা, উদ্যমিতা, কৃষি, প্ৰযুক্তি আৰু অন্যান্য ক্ষেত্ৰৰ পদক্ষেপৰ জৰিয়তে চৰকাৰে মহিলাসকলক সৱলীকৰণ কৰিবলৈ বদ্ধপৰিকৰ হৈছে।

ooooooo

অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ উদ্যোগত অহা ১৩ নৱেম্বৰত দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণ আৰম্ভ হ'ব। বিগত বৰ্ষৰ বিশেষ সাফল্যৰ পাছত এই বছৰো তৃণমূল পৰ্যায়ৰ প্ৰতিযোগীৰ অংশগ্ৰহণ, ন ন প্ৰতিযোগী সৃষ্টি তথা ক্ৰীড়াৰ ক্ষেত্ৰত ৰাজ্যখনক আগবঢ়াই নিয়াৰ লক্ষ্যৰে এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। এথলেটিকছ, ফুটবল, কাবাডী, ভলীবল, দবা খেল, সাঁতোৰ, চাইকেল চলোৱা আদিকে ধৰি কেইবাটাও শাখাত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এইবাৰৰ খেল মহাৰণত কেইবাবিধো নতুন খেল অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ বাবে আজিৰ পৰা পঞ্জীয়ন আৰম্ভ হৈছে।

oooooo

———পেৰুৰ লিমাত চলি থকা শ্বুটিঙৰ আই এছ এছ এফ জুনিয়ৰ বিশ্ব চেম্পিয়নশ্বিপৰ এয়াৰ ৰাইফলত ভাৰতীয় যুটি গৌতমী ভানট আৰু অজয় মালিকে কালি ক্ৰ'ৱেছিয়াক ১৭-৯ পইণ্টত পৰাস্ত কৰি ব্ৰঞ্জৰ পদক আজুৰি আনিবলৈ সমৰ্থ হৈছে। একেটা ইভেণ্টত চীনে ফ্ৰান্সক পৰাস্ত কৰি সোণৰ পদক লাভ কৰিছে। এয়াৰ ৰাইফলৰ দলীয় শিতানত ভাৰতৰ লক্ষিতা আৰু প্ৰমোদে ১৬-৮ পইণ্টত কনিস্কা ডাগৰ আৰু মুকেশ নেল্লাৱানিক পৰাস্ত কৰি আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰিছে। এইটো ইভেণ্টত জাৰ্মানীয়ে সোণ আৰু ইউক্ৰেইনে ৰূপৰ পদক লাভ কৰিছে। এই বিজয়ৰ জৰিয়তে ভাৰতে জুনিয়ৰ বিশ্ব চেম্পিয়নশ্বিপত দুটা সোণ আৰু তিনিটা ব্ৰঞ্জৰ পদকৰ সৈতে মুঠ ৫ টা পদকেৰে পদক তালিকাৰ শীৰ্ষ স্থান দখল কৰিছে।

oooooooo

সমাপ্ত